**1 (Sem–3/FYUGP) ASS 42 MN/(A)**

**2025**

ASSAMESE

( Minor )

Paper : ASS4300204MN

**( অসমীয়া চুটিগল্প আৰু উপন্যাস )**

( Set—A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰয়াণৰ পাছত প্ৰকাশ পোৱা গল্প সংকলনটিৰ নাম কি?

(খ) 'বাঁহী' আলোচনীখনৰ প্ৰথমগৰাকী সম্পাদকৰ নাম লিখা।

(গ) লক্ষ্মীনাথ ফুকনৰ এখন গল্পপুথিৰ নাম লিখা।

(ঘ) হোমেন বৰগোহাঞিৰ 'হাতী' নামৰ গল্পটিত বলোৰাম মেধিয়ে মৰমতে হাতীটোৰ কি নাম ৰাখিছিল?

(ঙ) পদ্মনাথ গোহাঞিবৰুৱা ৰচিত 'ভানুমতী' উপন্যাসখন কোনখন কাকতত প্ৰথম প্ৰকাশ পাইছিল?

(চ) ‘গঙা চিলনীৰ পাখি’ নামৰ উপন্যাসখনৰ ঔপন্যাসিক কোন?

(ছ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাসৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল?

(জ) ‘ডাৱৰ আৰু নাই’ উপন্যাসৰ গিৰীনক পূৰ্বতে গাঁৱৰ মানুহে কি নামেৰে মাতিছিল?

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ চমুকৈ উত্তৰ লিখা : ২×৬=১২

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ পুথি আকাৰে প্ৰকাশ পোৱা প্ৰথম গল্পপুথিখনৰ নাম কি? এইখন কিমান চনত প্ৰথম প্ৰকাশ পাইছিল?

(খ) লক্ষ্মীধৰ শৰ্মাৰ একমাত্ৰ গল্পপুথিখনৰ নামটো লিখা। পুথিখনৰ প্ৰথম প্ৰকাশৰ চনটো লিখা।

(গ) যোগেশ দাসৰ দুখন গল্পপুথিৰ নাম লিখা।

(ঘ) অসমীয়া গল্প সাহিত্যত সৌৰভ কুমাৰ চলিহা আৰু শীলভদ্ৰ নামেৰে পৰিচিত গল্পকাৰ দুগৰাকীৰ প্ৰকৃত নাম কি?

(ঙ) লক্ষ্মীনাথ ফুকনৰ ‘মেধি’ গল্পৰ মেধিৰ প্ৰকৃত নাম কি আছিল? তেওঁ কোন সত্ৰৰ মেধি বাব পাইছিল?

(চ) ‘বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী’ আৰু ‘সুধৰ্মাৰ উপাখ্যান’ নামৰ উপন্যাসধৰ্মী গ্ৰন্থ দুখনৰ ৰচক দুগৰাকীৰ নাম লিখা।

(ছ) দুখন অসমীয়া জনগোষ্ঠীয় জীৱনভিত্তিক উপন্যাসৰ নাম লিখা।

(জ) 'অভিযাত্ৰী' নামৰ উপন্যাসখনৰ ঔপন্যাসিক কোন? এইখন উপন্যাসত কোন মহীয়সী নাৰীৰ জীৱনবৃত্ত প্ৰকাশ পাইছে?

(ঝ) 'চেনাবৰ সোঁত' উপন্যাসৰ উপৰিও মামনি ৰয়চম গোস্বামীয়ে ৰচনা কৰা অইন দুখন উপন্যাসৰ নাম লিখা।

(ঞ) অসমীয়া উপন্যাসৰ আধাৰত নিৰ্মাণ হোৱা দুখন চলচ্চিত্ৰৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) ৰামধেনু যুগৰ গল্পত সমাজ-চেতনা সম্পৰ্কে আলোচনা কৰা।

(গ) হোমেন বৰগোহাঞিৰ গল্প সম্পৰ্কে আলোচনা কৰা।

(ঘ) 'মুক্তি' গল্পটোত সুকুমাৰৰ প্ৰকৃতিৰ লগত থকা আত্মিক সম্পৰ্ক কিদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

(ঙ) 'হাতী' গল্পটোত বলোৰামে তেওঁৰ অতিকৈ প্ৰিয় হাতীটোৰ ব্যৱস্থা কি কৰিলে, লিখা।

(চ) 'মেধি' চৰিত্ৰটোৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(ছ) 'ডাৱৰ আৰু নাই' উপন্যাসৰ নামটোৰ তাৎপৰ্য বিশ্লেষণ কৰা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(খ) অসমীয়া চুটিগল্পৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(গ) 'হাতী' গল্পটোত দুটা প্ৰজন্মৰ মাজত থকা চিন্তাচৰ্চা, মানসিকতা আদিৰ ব্যৱধান কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঘ) 'ডাৱৰ আৰু নাই' উপন্যাসখনত দ্বিতীয় বিশ্বযুদ্ধই সৃষ্টি কৰা সামাজিক, নৈতিক আদি মূল্যবোধৰ অৱক্ষয়ৰ কথা কিদৰে চিত্ৰিত হৈছে, লিখা।

(ঙ) 'চেনাবৰ সোঁত' উপন্যাসখনত শ্ৰমিকসকলৰ ওপৰত কৰা শোষণ আৰু নিষ্পেষণৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★